বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## মহানবী (ছাঃ) ৰ সত্য গোলাম হজৰত মছীহ মাওউদ (আঃ) ৰ মৰম-স্নেহ আৰু উদাৰতা তথা দানশীলতাৰ এক ঈমান উদ্দীপক বৰ্ণনা।

أَشْهَدُ أَنْ لَّا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ০৩ জুলাই ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

মই হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ মৰম-স্নেহ আৰু উদাৰতাৰ (দানশীলতাৰ) কেইটামান ঘটনা দাঙি ধৰিম। হজৰত শ্বেখ য়াকুব আলী ইৰফানী চাহাব (ৰাঃ) য়ে লিখিছে যে, তেখেতৰ দানশীলতা আছিল এখন অসীম নদীৰ দৰে আৰু তেখেতৰ হাতখন আছিল মুকুতা বৰ্ষণ কৰা মেঘৰ দৰে, যিয়ে কেৱল বৰষুণ দি গৈছিল আৰু সকলোকে সিক্ত কৰি তুলিছিল; আৰু এই ধাৰা ৰমজান মাহত বহু পৰিমাণে বৃদ্ধি পাইছিল।

আব্দুল গাফফাৰ কাশ্মীৰী চাহাবে বৰ্ণনা কৰিছে যে যেতিয়া তেওঁৰ বিবাহ হৈছিল, তেতিয়া হজৰত মছীহ মাওউদ (আঃ) য়ে তেওঁক দুটা বহুমূলীয়া অলংকাৰ উপহাৰ দিছিল। এইটো হুজুৰ (আঃ) ৰ নবুৱত লাভৰ বা ধৰ্মীয় প্ৰচাৰৰ পূৰ্বৰ কথা, যেতিয়া তেখেত অকলশৰীয়া জীৱন অতিবাহিত কৰি আছিল।

পিতৃ বশ্বিৰ চাহাব ভাট্টীয়ে বৰ্ণনা কৰিছে যে হজৰত মিৰ্জা বশ্বিৰুদ্দিন মাহমুদ আহমদ চাহাব (ৰাঃ)ৰ বিবাহৰ সময়ত এগৰাকী মিৰাছী মহিলাই ঢোল লৈ আহিছিল আৰু বজাবলৈ আৰম্ভ কৰিছিল। হুজুৰে (আঃ) য়ে ক'লে যে, তাইক কোৱা যাতে এইটো নবজায় আৰু তাই যি বিচাৰে তাকে দি দিয়া। সেই অনুসৰি তাইক চাৰি-পাঁচ টকা দি দিয়া হ'ল। তাৰ পিছত তাই ক'লে যে তাইৰ ঠাণ্ডা লাগিছে। এই কথাত হুজুৰে তাইক এখন লেপো দি দিবলৈ ক'লে।

হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাব (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে পোনপ্ৰথমে এই কথাটো মনত ৰখা উচিত যে তেখেতৰ কোনো বিশেষ পোছাকৰ প্ৰতি আগ্ৰহ নাছিল। জীৱনৰ শেষৰ কেইবছৰমানত তেখেতৰ ওচৰলৈ চিলাই কৰা কাপোৰ বহুত আহিছিল,বিশেষকৈ কোট আদি। পাগুৰি প্ৰায়েই নিজেই কিনি বান্ধিছিল। কাপোৰ যিদৰে তৈয়াৰ হৈছিল, সেইদৰেই খৰচো হৈ গৈছিল। (অৰ্থাৎ তবাৰুক হিচাপে বিচৰাসকলক দান কৰি দিয়া হৈছিল।)

হজৰত মীৰ মেহদী হুছেইন চাহাব (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে এবাৰ মৌলৱী মহম্মদ আহছান চাহাবে মোৰ ওচৰত 'চশমা-এ-মছীহী'ৰ এটা কপি বিচাৰিছিল। মই উত্তৰ দিলোঁ যে হুজুৰে (আঃ) য়ে কৈছে যে কাৰ্যালয়ত ইমানবোৰ কপি মজুত

থকা উচিত, কিয়নো কেতিয়াবা চৰকাৰে ইয়াৰ দাবী কৰে। এতিয়া কোনো অতিৰিক্ত কপি নাই। আপুনি হজৰত চাহাব (আঃ)ৰ চৰণত চিঠি লিখি অনুৰোধ কৰিব পাৰে। তেওঁ লিখাৰ পিছত হুজুৰ (আঃ) য়ে এটা কপি প্ৰদান কৰিলে।

হজৰত মুন্সী জাফৰ আহমদ চাহাব (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে হুজুৰ (আঃ)ৰ ওচৰত কস্তুৰী আছিল। এবাৰ মই কলো হুজুৰ! মোক অলপ কস্তুৰী লাগে। ইয়াৰ ওপৰত হুজুৰ (আঃ) য়ে সৰু ডব্বাটো মোৰ আগত আগবঢ়াই দিলে যে ইয়াৰ পৰা আপোনাৰ যিমান প্ৰয়োজন লৈ লওক। মই তাৰ পৰা অলপমান তুলি লওঁতে হুজুৰে (আঃ) য়ে হাঁহি মাৰি ক'লে যে এয়া একোৰেই নহয়, আৰু তাৰ পিছত হুজুৰে নিজেই মোক প্ৰায় এক-ডেড় তোলামান কস্তুৰী দি দিলে।

তেখেত (আঃ)ৰ হৃদয়ত নিজৰ বন্ধুবৰ্গৰ বাবে কিমান দয়া আছিল, তাৰ এটা ঘটনা এইদৰে পোৱা যায়। হজৰত হাকিম ফজলুৰ ৰহমান চাহাব (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে মোৰ পত্নীৰ এটি সন্তান জন্ম হৈছিল আৰু তাৰ সপ্তম দিনা মাগৰিবৰ (সন্ধিয়াৰ) সময়ত তাইৰ গাত ধনুষ্টংকাৰৰ লক্ষণ দেখা দিবলৈ ধৰিলে। মই মাগৰিবৰ পিছত হুজুৰ (আঃ)ৰ ওচৰলৈ লৰালৰিকৈ গ'লোঁ। হুজুৰে (আঃ) য়ে ক'লে যে এয়া অতি বিপদজ্জনক ৰোগৰ লক্ষণ। তুমি তোমাৰ পত্নীক হিং দিয়া আৰু এঘণ্টা-ডেড় ঘণ্টাৰ পিছত মোক খবৰ দিয়া। মই ইশ্বাৰ (ৰাতিৰ) নামাজৰ পিছত পুনৰ গ'লোঁ আৰু ক'লোঁ যে ৰোগ বাঢ়ি গৈছে। হুজুৰে (আঃ) য়ে বিভিন্ন ঔষধৰ পৰামৰ্শ দি থাকিল, কিন্তু ৰোগ বাঢ়িয়েই গ'ল। আনকি এবাৰ ৰোগীৰ বমি হ'ল, যিটো এই ৰোগৰ অন্তিম পৰ্যায়, তাৰ পিছত উশাহ-নিশাহ চুটি হৈ আহিল, ডিঙি পিছলৈ টান খাই গ'ল, চকুৰ আগত আন্ধাৰ নামি আহিল আৰু মাত হেৰাই গ'ল। মই দৌৰি গৈ খটখটীৰে ওপৰলৈ উঠিলোঁ, হুজুৰে মোৰ মাত শুনি দুৱাৰ মেলি দিলে আৰু ক'লে, সকলো কুশলেই নে? মই ক'লো যে এতিয়া অৱস্থা অতি সংকটজনক হৈ পৰিছে। হুজুৰে সকলো বিতং বিৱৰণ শুনি ক'লে, পৃথিৱীৰ যিমান অস্ত্ৰ আছিল, সেই সকলোবোৰ আমি ব্যৱহাৰ কৰিলোঁ। এতিয়া এটা অস্ত্ৰ বাকী আছে, সেয়া হৈছে দোৱা (প্ৰাৰ্থনা)। তুমি যোৱা! এতিয়া মই দোৱাৰ পৰা তেতিয়াহে মূৰ তুলিম, যেতিয়া তাই সুস্থ হৈ উঠিব।

মই এই কথা শুনি উভতি আহিলোঁ আৰু পত্নীক ক'লোঁ, এতিয়া তোমাৰ কিহৰ চিন্তা, এতিয়া ঠিকাদাৰে নিজেই ঠিকা লৈ লৈছে। সেই সময়ত ৰাতি দুটা বাজিছিল। মই ঘৰলৈ আহিলোঁ আৰু ৰোগীক সেই অৱস্থাতে এৰি আন এটা কোঠালৈ গৈ শুই পৰিলোঁ। ৰাতিপুৱা কোনোবা বাচন-বৰ্তনৰ শব্দত মোৰ টোপনি ভাঙিল, তেতিয়া দেখিলোঁ যে পত্নী সম্পূৰ্ণ সুস্থ হৈ উঠিছে। তাই ক'লে যে আপুনিতো শুই আছিল। দুঘণ্টা পিছত আল্লাহ তা'লাই অনুগ্ৰহ কৰিলে (ফজল কৰিলে)।

হুজুৰ আনোৱাৰে কৈছে যে এই ঘটনাসমূহত বন্ধুসকলৰ বাবে সহানুভূতি আৰু দানশীলতা—উভয়ৰে সৰ্বোচ্চ মানৰ প্ৰমাণ পোৱা যায়।

এবাৰ কাদিয়ানৰ এজন তীব্ৰ বিৰোধী শত্ৰুক নিজৰ এজন আত্মীয়ৰ বাবে কস্তুৰীৰ প্ৰয়োজন হৈছিল। কেৱল এয়ে নহয় যে কস্তুৰী কতো পোৱা যোৱা নাছিল, বৰঞ্চ ই অতি মূল্যবান বস্তুও আছিল। তেওঁ হুজুৰৰ (হজৰত মিৰ্জা গোলাম আহমদ আঃ) দুৱাৰমুখলৈ গৈ কস্তুৰী বিচাৰিলে। হুজুৰে লগে লগেই প্ৰায় আধা তোলা কস্তুৰী তেওঁৰ হাতত তুলি দিলে।

যেতিয়া প্লেগ মহামাৰী বিয়পি পৰিছিল, তেতিয়া হুজুৰে আল্লাহ তা'লাৰ ওহী (প্ৰত্যাদেশ) আৰু জ্ঞানৰ অধীনত এটা ঔষধ প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰিলে আৰু ইয়াৰ নাম 'তৰিয়াক-এ-ইলাহী' ৰাখিলে। এই ঔষধটোত কেইবা হাজাৰ টকাৰ বহুমূল্য ৰত্ন আৰু বহুতো দামী দৰব মিহলি কৰা হৈছিল। যেতিয়া এই ঔষধটো প্ৰস্তুত হৈ উঠিল, তেতিয়া হুজুৰে অতি উদাৰতাৰে ইয়াক বিতৰণ কৰিলে। আনকি বাহিৰৰ পৰা অৰ্ডাৰ কৰা লোকসকলকো তেওঁ নিজৰ খৰচেৰে ৰেজিষ্টাৰ্ড পাৰ্চেলৰ জৰিয়তে ঔষধ পঠিয়াই দিছিল।

হজৰত মুফতি মহম্মদ চাদিক চাহাব (ৰাঃ) য়ে নিজৰ এখন পত্ৰত হুজুৰৰ ওচৰত আৰ্জি পেশ কৰিছিল যে গৰ্ভধাৰণৰ বাবে ঘৰত এনেকুৱা কষ্ট হৈছে যে খাদ্য প্ৰস্তুত কৰিব পৰা হোৱা নাই। ৰুটিতো তন্দুৰত বনাই লোৱা হয়, কিন্তু তৰকাৰী

(হোণ্ডী)ৰ বাবে বৰ অসুবিধা হৈছে। গতিকে তেওঁ অনুৰোধ কৰিলে যেন লংগৰৰ পৰা খাদ্যৰ ব্যৱস্থা কৰি দিয়া হয়। ইয়াৰ ওপৰত হুজুৰ (আঃ) য়ে লংগৰৰ ইনচাৰ্জক নিৰ্দেশ দিলে যে মুফতি চাহাবক লংগৰৰ পৰা দুয়োবেলা উন্নত মানৰ তৰকাৰী যোগান ধৰা হয় যেন।

এবাৰ গৱেষণা বা অনুসন্ধানৰ বাবে এটা প্ৰতিনিধি দল 'নাচিবিন'লৈ পঠোৱাৰ সিদ্ধান্ত লোৱা হ'ল। প্ৰতিনিধি দলটোৰ সদস্যসকলক প্ৰস্তুতিৰ বাবে হুজুৰে ৫০-৫০ টকাকৈ প্ৰদান কৰিলে। পিছলৈ কিছুমান কাৰণবশতঃ সেই দলটো যাব নোৱাৰিলে। যেতিয়া দলটোৰ এজন সদস্যই সেই পঞ্চাশ টকা ঘূৰাই দিব বিচাৰিলে, তেতিয়া হুজুৰে কয়, আমি যি বস্তু কাকো দি দিওঁ, সেয়া আমি কেতিয়াও ঘূৰাই নলওঁ।

এবাৰ লংগৰৰ খৰচৰ বাবে পইচা শেষ হৈ গ'ল। তেতিয়া হুজুৰে ক'লে, বিবি চাহেবা (পবিত্ৰ পত্নী)ৰ পৰা কোনোবা এটা অলংকাৰ লোৱা, যিয়ে প্ৰয়োজন পূৰণ কৰিব পাৰে, আৰু তাক বিক্ৰী কৰি সামগ্ৰীৰ ব্যৱস্থা কৰা। দুদিন পিছত আকৌ খৰচ শেষ হৈ গ'ল। তেতিয়া হুজুৰে ক'লে, আমি বাহ্যিক উপায়-অৱলম্বনৰ খাতিৰত ব্যৱস্থা কৰি দিছিলোঁ, এতিয়া আমাক ইয়াৰ প্ৰয়োজন নাই। যাৰ আলহী, তেওঁ নিজেই ব্যৱস্থা কৰিব। তাৰ পিছত পুৱা আঠ-ন বজাত যেতিয়া ডাকোৱালজন আহিল, তেতিয়া তেওঁৰ হাতত প্ৰায় ১০-১৫ টা মানি অৰ্ডাৰ আছিল, যিবোৰ এশ-এশ আৰু পঞ্চাশ-পঞ্চাশ টকাৰ আছিল আৰু বিভিন্ন ঠাইৰ পৰা আহিছিল। হুজুৰে সেই মানি অৰ্ডাৰবোৰ গ্ৰহণ কৰি 'তাৱাক্কুল' (আল্লাহৰ ওপৰত বিশ্বাস)ৰ ওপৰত এটা ভাষণ দিলে।

এবাৰ দুৰ্ভিক্ষই তীব্ৰ ৰূপ ধাৰণ কৰিলে, তেতিয়া হুজুৰে নিৰ্দেশ দিলে যে লংগৰত আটা মঠাটো চলি থাকিব লাগে আৰু ৰুটি সদায় তৈয়াৰী থাকিব লাগে। ৰুটি বিচৰা প্ৰতিজন ব্যক্তিকে যেন ৰুটি দিয়া হয় আৰু কোনো যাতে খালী হাতেৰে ঘূৰি নাযায়।

শ্বেখ হামিদ আলী চাহাবে (ৰাঃ) য়ে বৰ্ণনা কৰে যে জীৱনৰ শেষ সময়লৈকে হুজুৰে কেতিয়াও মোৰ পৰা হিচাপ বিচৰা নাছিল আৰু কেতিয়াও অসন্তুষ্ট বা খং হোৱা নাছিল।

হজৰত শ্বেখ আহমদ দ্বীন চাহাব (ৰাঃ)ক এবাৰ হুজুৰে কোনো এটা কামৰ বাবে পঠিয়াইছিল আৰু নিৰ্দেশ দিছিল যে পিছদিনা সোনকালে গুচি আহিবলৈ। তেওঁ বৰ্ণনা কৰে যে, মই পিছদিনা পলমকৈ পালোঁহি। তেতিয়া হুজুৰে মোৰ চিন্তাত ইতিমধ্যে এজন মানুহ মোক বিচাৰি পঠিয়াই দিছিল। মই যেতিয়া হুজুৰ (আঃ)ৰ সেৱাত উপস্থিত হ'লোঁ, তেতিয়া তেখেতে আটাইতকৈ প্ৰথমে সুধিলে, আপোনাৰ কিবা কষ্ট হোৱা নাইতো? হুজুৰে (আঃ) কুশলবাৰ্তা সোধাত মোৰ মন আনন্দত আত্মহাৰা হৈ পৰিল। মই যেতিয়া হিচাপ দিব বিচাৰিলোঁ, তেতিয়া হুজুৰে (আঃ) ক'লে, মোৰ আৰু আপোনাৰ মাজত আকৌ কিহৰ হিচাপ! এই পইচাকেইটা আপুনি আপোনাৰ প্ৰয়োজনত খৰচ কৰক।

হজৰত হাকিম মৌলৱী নুৰুদ্দীন চাহাবে (ৰাঃ) য়ে এবাৰ হুজুৰ (আঃ) ৰ পৰা কিছু ধাৰ লৈছিল। যেতিয়া তেখেতে (ৰাঃ) য়ে সেই ধাৰৰ টকা ওভতাই পঠিয়ালে, তেতিয়া হুজুৰে (আঃ) য়ে ইয়াক অপছন্দ কৰিলে আৰু ক'লে যে, আপুনি আমাৰ টকাক আপোনাৰ নিজৰ টকাৰ পৰা পৃথক বুলি ভাবেনেকি?

হজৰত শ্বেখ য়াকুব আলী চাহাব ইৰফানীয়ে লিখিছে যে, যেতিয়াৰে পৰা হজৰত মছীহ মাওউদ (আঃ) য়ে নিজৰ দাবীৰ ঘোষণা কৰিলে আৰু মানুহে এই কথাও জানিব পাৰিলে যে আল্লাহ তা'লাই তেওঁক শুভসংবাদ দিছে যে 'ৰজাসকলে তোমাৰ কাপোৰৰ পৰা বৰকত (আশীৰ্বাদ) বিচাৰিব'— তেতিয়াৰে পৰা সাধাৰণতে মানুহে তেখেতৰ পৰা কাপোৰ খুজিবলৈ ধৰিলে। তেখেতে (আঃ) য়ে কেতিয়াও কাকো বিমুখ কৰা নাছিল আৰু কেতিয়াবা কেতিয়াবা এনে পৰিস্থিতি হৈছিল যে তেখেতৰ নিজৰ শৰীৰত থকা কাপোৰকেইসাজহে বাকী ৰৈছিল আৰু বাকী সকলো কাপোৰ লোকক দান কৰি দিয়া হৈছিল।

এবাৰ হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ ঘৰত এগৰাকী দৰিদ্ৰ মহিলাই কিছু চাউল চুৰি কৰিলে। মানুহে তাইক দেখা পালে আৰু হুলস্থুল সৃষ্টি হ'ল। হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে সেই সময়ত নিজৰ কোঠাত কাম কৰি আছিল। হুলস্থুল শুনি তেখেত বাহিৰলৈ ওলাই আহিল আৰু এই দৃশ্য দেখিলে যে এগৰাকী দৰিদ্ৰ, জৰাজীৰ্ণ অৱস্থাৰ মহিলা থিয় হৈ আছে আৰু তাইৰ হাতত অলপ চাউলৰ টোপোলা এটা আছে।

যেতিয়া হজৰত মছীহ মাওউদ (আঃ) য়ে ঘটনাটো জানিব পাৰিলে আৰু সেই দৰিদ্ৰ মহিলাগৰাকীৰ চেহেৰা-স্বৰূপ দেখিলে, তেতিয়া তেখেতৰ মন দয়াত গলি গ'ল। তেখেতে ক'লে,

তাইক ভোকাতুৰ আৰু কঙাল যেন লাগিছে, তাইক এই চাউলখিনি দি বিদায় দিয়া, লগতে আৰু কিছু চাউলো দি দিয়া আৰু খোদাৰ ক্ষমাশীল গুণ নীতি অৱলম্বন কৰা।

হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাবে এই ঘটনাটো বৰ্ণনা কৰি লিখিছে যে, এই ঘটনাটো দেখি কোনো অধৈৰ্য্যশীল ব্যক্তিয়ে ক'ব পাৰে যে— এই কাৰ্যই চৰিত্ৰহীনতা বা চুৰিকাৰ্যক আৰু বেছি সাহস যোগাব, অথবা এগৰাকী চোৰক আপুনি সাহসী কৰি তুলিছে। কিন্তু জ্ঞানীসকলে বুজি পায় যে, যেতিয়া মাল (সম্পত্তি) স্বয়ং হজৰত মছীহ মাওউদৰ নিজৰ আছিল আৰু লোৱা মহিলাগৰাকী আছিল এগৰাকী ভোকত মৰিব ধৰা কঙাল তিৰোতা, তেন্তে এয়া চুৰিকাৰ্যত সহায় কৰা নহয়, বৰঞ্চ প্ৰকৃততে দৰিদ্ৰক অন্নদান কৰাৰ অন্তৰ্ভুক্ত।

হাদিছৰ পৰাও প্ৰমাণিত আছে যে, মহানবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামেও এনে পৰিস্থিতিত— যেতিয়া চুৰি কৰা ব্যক্তিজন অতি দৰিদ্ৰ হয় আৰু চৰম ভোকৰ তাড়নাত কিবা খোৱা বস্তু তুলি লয়, তেতিয়া তেওঁক চোৰ বুলি গণ্য কৰা নাছিল, বৰঞ্চ চকু মুদা নীতি (ক্ষমা) অৱলম্বন কৰিছিল। এইবোৰেই হৈছে নিজৰ প্ৰভুৰ (মহানবীৰ) পূৰ্ণ অনুসৰণৰ উৎকৃষ্ট আদৰ্শ।

اللّٰهم صَلِّ عَلٰی مُحَمَّدٍ وَعَلٰی عَبْدِکَ الْمَسِیْحِ الْمَوْعُوْدِ وَبَارِکْ وَسَلِّم

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لاَ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْيِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 3 July 2026

Nazarat Nashor-O-Ishaat Qadian